# জয়-পৰাজয়

— জিতুমণি পাঠক

**আনন্দিনাতকৈ আজি ঘৰলৈ আহোঁতে অতনুক যথেষ্ট সুখী যেন দেখা গৈছিল। সেয়েহে পৰিবাৰ ইভাই যেতিয়া অতনুক ৰুমন আৰু সুমনৰ অংককেইটা অকণমান চাই দিবলৈ দিলে তেতিয়া অতনুৱে অন্য দিনৰ দৰে গেঙেৰি মাৰি নুঠিল।**

ৰুমন-সুমন দুয়োটা যঁজা। মাত্ৰ কেইমিনিটমানৰ ডাঙৰ-সৰু। বয়স আঠ বছৰ। কিন্তু আঠ বছৰীয়া এই দুটা প্ৰাণীয়েই অতনু আৰু নিভাক প্ৰায়ে ত্ৰাহিমধুসূদন সোঁৱৰাই দিয়ে। আজিও দুয়োটাৰে পঢ়া টেবুলত বহি খুঁট-খাট আৰম্ভ হৈ গ'ল। অতনুৱে দেখিও আজি সিহঁতক একো নক'লে। মনটো কিবা এক ভাল লগা ভাবে আগুৰি থাকিল তাক। অৱশ্যে ভাল লাগিবৰ কথাও। গোটেই মাহটো ধৰি প্ৰায় সেই অসম্ভৱ 'টাৰ্গেট'টোৰ পাছত সি কম লৰি ফুৰিল নে। কথাটো এনেকুৱা ধৰণৰ। যোৱা মাহত এদিন হঠাতে বছে মিটিঙত এটা অসম্ভৱ টাৰ্গেট দি ক'লে যে এই মাহতে এই 'টাৰ্গেট'ত উপনীত হ'ব লাগিব। লগতে ঘোষণা কৰিলে যিয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত এই 'টাৰ্গেট' পূৰা কৰিব পাৰিব তাকেই কোম্পানীৰ তৰফৰ পৰা এক আকৰ্ষণীয় পুৰস্কাৰো দিয়া হ'ব। সিহঁতে সকলোৱে জানে এই আকৰ্ষণীয় পুৰস্কাৰটো শেষত কি ওলাইগৈ। আচলতে ইয়াতে পুৰস্কাৰটো মূল কথা নহয়। কথা হ'ল সিহঁতৰ এশৰো অধিক এমপ্লয়ীৰ কোনে বছৰ নজৰ কাঢ়িব পাৰে। গতিকে পিছদিনাখনৰ পৰাই বছৰ সু-নজৰৰ আকাংক্ষাত সিহঁতৰ মাজত আৰম্ভ হৈ গ'ল এখন ভীষণ প্ৰতিযোগিতাৰ।

ৰুমন-সুমনৰ উৎপাত বাঢ়ি গৈছিল। সেয়েহে অতনুৰ চিন্তাত কিছু যতি পৰিল। সিহঁত দুটাক ব্যস্ত ৰাখিবলৈ অতনুৱে এটা বুদ্ধি কৰিলে। তাৰ বছৰ বুদ্ধিটোৰ দৰে। এটা অলপ কঠিন অংক পাতি দি ক'লে যিয়ে প্ৰথমতে এইটো কৰি উঠিব তাকেই অহা কাইলৈ দুটা আইচক্ৰীম পুৰস্কাৰ হিচাপে দিব। 'দুটা আইচক্ৰীম!' সিহঁতৰ চকু দুটা উজলি উঠিল। মুহূৰ্ততে সিহঁত হাই-উৰুমি এৰি অংকটোক লৈ ব্যস্ত হৈ পৰিল।

অতনু পুনৰ নিজৰ চিন্তাৰ জগতখনলৈ উভতি আহিল। সি ভবা নাছিল আন সকলোবোৰক পিছ পেলাই যে সি সেই বিশেষ 'টাৰ্গেট'টোত উপনীত হ'ব পাৰিব। কিন্তু হৈ গ'ল। নিৰ্দিষ্ট দিনটোলৈ দুটা দিন থাকোঁতেই হৈ গ'ল। অতনুৱে জানে তাৰ পাছত একেবাৰে টাৰ্গেটিৰ ওচৰতে আছে নৰেন দাস। কিন্তু নৰেন দাসে যাতে সেই টাৰ্গেটত কোনোপধ্যে উপনীত হ'ব নোৱাৰে তাৰ সকলো ব্যৱস্থা কৰি আহিছে আজি অতনুৱে। সি জানে যে নৰেন দাসৰ এই মুহূৰ্তত একমাত্ৰ ভৰসা হ'ব পাৰে অজিত আগৰৱালা। গতিকে আজি অফিচৰ পৰা আহোঁতে সেয়েহে অতনু আগৰৱালাৰ তাত সোমাই নিশ্চিত কৰি আহিছে যাতে নৰেন দাসে কোনো কাৰণতেই যাতে এই মাহত তেওঁৰ অৰ্ডাৰকেইটা নাপায়। আগৰৱালাৰ ওপৰত এটা ডাঙৰ উপকাৰ কৰি থৈছে অতনুৱে। গতিকে আগৰৱালাই যে তেওঁৰ কথা নেপেলায় সেয়া খাটাং।

অতনুৰ চকু এইবাৰ ৰুমন-সুমনলৈ গ'ল। ৰুমনলৈ চাই দেখিলে তাৰ অংকটো শেষ প্ৰায়। মাত্ৰ উত্তৰটি পাতিবলৈ বাকী। আঁৰ চকুৰে চাই দেখিলে সুমনৰ তেতিয়াও অংকটি শেষ হ'বলৈ কিছু বাকী। ৰুমনে আৰু উত্তৰটি কিয় বহুৱাই নিদিয়ে। দিয়াৰ লগে লগে দেখোন সি বিজয়ী হৈ যাব। নাই, ৰুমনৰ সেইবোৰলৈ কাণসাৰ নাই। উত্তৰ পাতিবলগীয়া ঠাইখিনিত সি এনেই কলমটো ওপৰৰে ঘূৰাই আছে। অতনুৱে একো নামাতিলে। মনে মনে সিহঁতলৈ চাই থাকিল। সি দেখিলে সুমনে উত্তৰটি পতাৰ লগে লগে ৰুমনেও উত্তৰটি পাতিলে আৰু দুয়োটাই একে সময়তে প্ৰচণ্ড উছাহেৰে চিঞৰি উঠিল হৈ গ'ল।'

অতনুৰ ৰাজহাড়ৰ মাজেৰে এজাক শীতল বতাহ বৈ গৈ গোটেই মানুহটোক ভিতৰলৈ কঁপাই তুলিলে। ৰুমন-সুমনে যেন তাক জীৱনৰ এটি নতুন অংক কৰি দেখুৱালে। অতুনুহঁতকটো বছে কাহানিও কোৱা কোৱা নাছিল বিজয়ী মাথোন এজনেই হ'ব পাৰিব। অথচ সিহঁতে নিজেই এজনে আনজনক প্ৰতিদ্বন্দ্বী হিচাপে গঢ় দি তুলিছিল। নিজৰ সফলতাত সুখী হ'ব পাৰিলে হয়। কিন্তু নাই, তাতকৈ আনক বিফলতাৰ মুখলৈ ঠেলি দিয়াতহে যেন প্ৰকৃত সুখ। তাৰ হঠাতে মনত পৰিল এই নৰেন দাসেই যোৱা বছৰ ইভাৰ অসুখৰ সময়ত নিঃসংকোচে তাৰ হাতত তাৰ দৰমহাৰ টকাখিনি গুঁজি দিছিল। কিবা এটা দুখৰ-সুখৰ মুহূৰ্ততে থাউকতে পোৱা মানুহটোও দেখোন নৰেন দাস। অথচ আজি সি। এক ভীষণ অপৰাধবোধে তাৰ ক্ষন্তেকীয়া সুখকৰণক মুহূৰ্ততে চৰম গ্লানিলৈ পৰিৱৰ্তন কৰিলে। অতনুৱে ঠিক কৰিলে কালি ৰাতিপুৱাই সি আগৰৱালাৰ ওচৰলৈ যাব। অনুৰোধ কৰিব নৰেন দাসক সহায় কৰিবলৈ। সি ভাবিলে তাৰ ভুলৰ চাগে এইয়া এক শুধৰণি হ'ব পাৰে। কিন্তু এই মুহূৰ্তত আইচক্ৰীমৰ আশা পালি তালৈ আগ্ৰহৰে চাই থকা ৰুমন-সুমনৰ চকুলৈ চাব তাৰ সাহস নহ'ল।

*ফোন : ৯৮৫৪০১৮১১৭*